# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 21-10-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::***

কেন্দ্ৰীয় চৰকাৰৰ উড়ান আঁচনিয়ে দেশৰ বিমান পৰিবহন খণ্ডৰ ৰূপান্তৰ সাধন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। উড়ান আঁচনিৰ অষ্টম বাৰ্ষিকী উদযাপন উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযগে দিয়া এটা বাৰ্তাত এই কথা উল্লেখ কৰে। তেওঁ কয় যে এই আঁচনিয়ে কোটি কোটি লোকক বিমান যাত্ৰাৰ সুযোগ দিয়াৰ উপৰি বিমান বন্দৰ আৰু আকাশী পথৰ সংখ্যাও বৃদ্ধি কৰিছে। এই আঁচনিয়ে বাণিজ্য আৰু ব্যৱসায়িক দিশৰ উন্নয়ন সাধন কৰাৰ লগতে আঞ্চলিক ক্ষেত্ৰত বিকাশ নিশ্চিত হৈছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে অনাগত সময়ত কেন্দ্ৰীয় চৰকাৰে বিমান পৰিবহন খণ্ড শক্তিশালীকৰণৰ দ্বাৰা উন্নত যোগাযোগ আৰু জনসাধাৰণক সুচল যাত্ৰাৰ সুবিধা প্ৰদান কৰিব।

০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থীৰ নাম ঘোষণাকে ধৰি তৎপৰতা অব্যাহত ৰাখিছে। ইতিপূৰ্বে শাসকীয় বিজেপিয়ে ৩টা সমষ্টিত প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও চাৰিটা সমষ্টিৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

উপ-নিৰ্বাচনৰ বাবে বঙাইগাঁও বিধানসভা সমষ্টিত অগপৰ হৈ দিপ্তীময়ী চৌধুৰীৰ নাম চূড়ান্ত কৰা হৈছে। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই দলীয় প্ৰাৰ্থী হিচাপে শ্ৰীমতী চৌধুৰীক মনোনীত কৰে। ইপিনে, উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ইউ পি পি এল দলেও চিদলী সমষ্টিৰ বাবে নিৰ্মল কুমাৰ ব্ৰহ্মক বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। বিৰোধী পক্ষৰ পৰা কংগ্ৰেছে বঙাইগাঁও সমষ্টিত প্ৰাক্তন আৰক্ষী বিষয়া ব্ৰজেনজিৎ সিন্‌হাক মনোনীত কৰিছে। বঙাইগাঁৱৰ ৰাজীৱ ভৱনত আজি শ্ৰী সিন্‌হাক দলীয় কৰ্মীসকলে আদৰণি জনাই সমষ্টিটোৰ পৰা তেওঁ বিপুল ভোটত জয়ী হ'ব বুলি দাবী কৰে। বিপিএফে আজি চিৰাং জিলাৰ কাজলগাঁৱত চিদলি সমষ্টিৰ প্ৰাৰ্থীৰূপে দলৰ কেন্দ্ৰীয় উপ সভাপতি শুদ্ধোধন বসুমতাৰীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ পাছতে দলটোৰ নেতা কৰ্মীসকলৰ মাজত ব্যাপক উৎসাহৰ পৰিৱেশে বিৰাজ কৰে।

০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি দৰং জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন বৈঠকত জিলাখনত তেওঁৰ অধীনত থকা বিভাগকেইটাৰ দ্বাৰা ৰূপায়িত আঁচনিসমূহৰ অগ্ৰগতি পৰ্যালোচনা কৰে। চিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশী, দৰং জিলাৰ আয়ুক্ত, জিলা কাৰ্যবাহী বিষয়াকে ধৰি অন্যান্য বিষয়াৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীন, এম জি এনৰেগা, পঞ্চদশ বিত্তীয় আয়োগৰ অধীনৰ কাম-কাজ, অমৃত সৰোবৰ আদি পৰ্যালোচনা কৰা হয়। তেওঁ লগতে বিত্ত আয়োগৰ কাম-কাজকে ধৰি জিলা পৰিষদৰ সকলো আঁচনিৰ কাম-কাজ জিলা আয়ুক্তক নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ এখন জিলা এবিধ সামগ্ৰী বিষয়ক লৈ জিলাখনত উৎপাদিত এবিধ বিশেষ সামগ্ৰীৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ পোষকতা কৰে। তেওঁ লগতে নতুন ৰেচন কাৰ্ড প্ৰদান প্ৰক্ৰিয়াৰ জিলাখনত অগ্ৰগতিৰ বুজ লয়। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে অহা ৩ ৰ পৰা ৯ নৱেম্বৰলৈ সমগ্ৰ ৰাজ্যজুৰি পালন কৰিবলগীয়া ভাষা গৌৰৱ সপ্তাহত দৰং জিলাৰ প্ৰস্তুতি সম্পৰ্কে এখন বৈঠকত অংশ লয়।

০০০

নৱগঠিত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদত পূৰ্বৰ অসম মাধ্যমিক শিক্ষা পৰিষদক সংমণ্ডল এক আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক সংমণ্ডল-২ ৰূপে জনা যাব। সকলো পক্ষৰ সুবিধাৰ্থে ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এই সিদ্ধান্ত গ্ৰহণ

কৰা বুলি প্ৰকাশ কৰিছে। এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনাত পৰিষদৰ নতুন ৱেৱছাইট যুগুত কৰাৰ প্ৰক্ৰিয়া চলি আছে বুলি কোৱা হৈছে। এই পৰ্যন্ত পূৰ্বৰ www.sebaonline.org আৰু www.ahsec.assam.gov.in নামৰ ৱেৱছাইট দুটা সমণগুল এক আৰু দুইৰ বাবে প্ৰযোজ্য হব।

০০০

চৰাইদেউ জিলাৰ সোণাৰী অঞ্চলত আজি বিয়লি চাহপাত কঢ়িয়াই অনা এখন বাহনে পথৰ কাষৰ বিদ্যুতৰ খুটাত খুন্দা মৰাৰ ফলত সংঘটিত দুৰ্ঘটনাত এগৰাকী মহিলা থিতাতে নিহত হোৱাৰ লগতে আনসকল আহত হয়। বাহনখনত থকা ১৪ গৰাকী যাত্ৰীৰ ভিতৰত ১৩ গৰাকীক চৰাইদেউ অসামৰিক চিকিৎসালয়ত ততালিকে লৈ যোৱা হয়। ইয়াৰ ভিতৰত সংকটজনক অৱস্থাত ১০ গৰাকীক ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে।

০০০

গোৱালপাৰা জিলাৰ বগুলামাৰী প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ ৰাঙাগড়াত আজি এটা বনৰীয়া হাতীৰ মৃতদেহ উদ্ধাৰ হয়। স্থানীয় লোকে হাতীটো দীৰ্ঘ সময় ধৰি পৰি থকা প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়ে। বন বিভাগৰ লোকে ঘটনাস্থলীত উপস্থিত হৈ হাতীটো মৃত অৱস্থাত উদ্ধাৰ কৰে। পাছত পশু চিকিৎসকৰ দলৰ উপস্থিতিত হাতীটোৰ মৰণোত্তৰ পৰীক্ষা কৰা হয় যদিও ইয়াৰ মৃত্যু সম্পৰ্কে তদন্ত অব্যাহত ৰখা হৈছে।

০০০

গুৱাহাটী মহানগৰী দবা সন্থাৰ উদ্যোগত অনুষ্ঠিত ৯ বছৰ আৰু ১৩ বছৰৰ অনুৰ্ধ গুৱাহাটী মহানগৰী দবা চেম্পিয়নশ্বিপৰ সামৰণি পৰে। ৰাধাগোবিন্দ বৰুৱা পথত অৱস্থিত শিক্ষক ভৱনত অনুষ্ঠিত প্ৰতিযোগিতাখনত ১৩ বছৰৰ অনুৰ্ধ ল'ৰাৰ শাখাত ভৌমিক কিশোৰ দাসে আৰু ছোৱালীৰ শাখাত আমেয়া গুপ্তাই জয়লাভ কৰে। আনহাতে, ৯ বছৰ অনুৰ্ধৰ ল'ৰাৰ শাখাত সাৰস্বত ডেকা আৰু ছোৱালীৰ শাখাত চাৰ্ভিশ্ৰী বৰ্মনে চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। প্ৰতিযোগিতাখনত সৰ্বমুঠ ১২১ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে।

০০০

সমাপ্ত